অধ্যায় ৯ ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য — ১

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য

৯.২ পৰিচয়

৯.৩ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য

৯.৪ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য

৯.৪.১ কবিতা

৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৯.৬ অধিক জানিবলৈ

৯.৭ অগ্রগতিৰ খতিয়ান

৯.৮ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পর্কে সম্যক ধাৰণা লাভ কৰিব
- স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ এটি উল্লেখযোগ্য ধাৰা — কবিতা সম্পর্কে যথাযথ ব্যাখ্যা আগবঢ়াব পাৰিব।

৯.২ পৰিচয়

আগৰ চাৰিটা অধ্যায়ত আপুনি অৰুণোদয় পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য সম্পর্কে বহলাই অধ্যয়ন কৰিলে। সেই অধ্যায়কেইটিত সেই সময়ছোৱাৰ অসমীয়া সাহিত্যৰ পটভূমি, বৈশিষ্ট্যকে ধৰি সেই সময়ৰ সাহিত্যৰাজি বিবিধ ধাৰা সম্পর্কে অধ্যয়ন কৰিলে। এতিয়া এইটো অধ্যায়ত তাৰ পৰৱৰ্তী স্তৰ — স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্য সম্পর্কে অধ্যয়ন কৰিব। এই স্তৰৰ সাহিত্যৰাজিক আমি ছটা অধ্যয়ন বিভাজন কৰিছোঁ।

অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলৰ একাংশই ১৯৪০-৭০ চনৰ সাহিত্যৰাজিক বুজাবলৈ 'ৰামধেনু যুগৰ অসমীয়া সাহিত্য' অভিধাটি ব্যৱহাৰ কৰে। প্রসংগক্রমে উল্লেখযোগ্য যে ১৯৪০ চনৰ পাছৰ সাহিত্যৰাজিক সূচাবলৈ অসমীয়া সাহিত্যত 'স্বৰাজোত্তৰ কালৰ অসমীয়া সাহিত্য', 'যুদ্ধোত্তৰ যুগৰ অসমীয়া সাহিত্য' আদি অভিধাও ব্যৱহাৰ কৰা হয়। অৱশ্যে এই অভিধাকেইটাই কোনো ধৰণৰ দ্ব্যর্থকতা বহন নকৰে। মন কৰিব যে 'ৰামধেনু যুগ' নামকৰণৰ

আঁৰত আছে *জোনাকী* কাকতৰ পৰৱর্তী সময়ত প্রকাশ পোৱা *ৰামধেনু* নামৰ আলোচনীখন। *জোনাকী*ৰ পৰৱর্তী অসমীয়া সাহিত্যৰ নতুন প্রৱাহটোক এক স্থিৰ ৰূপ প্রদান কৰাৰ ক্ষেত্রত ১৯৫১ চনত প্রকাশ পোৱা *ৰামধেনু* আলোচনীখনে এক গভীৰ ভূমিকা পালন কৰিছিল। ১৯৩৭ চনত চন্দ্রকুমাৰ আগৰৱালাৰ আৰু ১৯৩৮ চনত লক্ষ্মীনাথ বেজবৰুৱাৰ মৃত্যুৰ পাছতেই অসমীয়া সাহিত্যত ৰোমাণ্টিক যুগৰ প্রায় অৱসান ঘটে বুলি ক'ব পাৰি। *ৰামধেনু* আলোচনীখন ১৯৫১ চনৰ পৰা প্রকাশ পাইছিল যদিও অসমীয়া সাহিত্যৰ ইতিহাসকাৰসকলৰ একাংশই ১৯৪০-৭০ চনৰ সাহিত্যৰাজিক বুজাবলৈ 'ৰামধেনু যুগৰ অসমীয়া সাহিত্য' অভিধাটি ব্যৱহাৰ কৰে। অৱশ্যে আমি সেই বিভাজনটো মানি নচলি দেশে স্বাধীনতা লাভ কৰাৰ বছটোকে আধাৰ হিচাপে লৈ আমাৰ পাঠবিষয়টি প্রস্তুত কৰিছোঁ। ইয়াৰ সময়সীমা আমি ২০০০ খ্রীঃত সীমাবদ্ধ ৰাখিছোঁ। এই অধ্যায়টো এতিয়া স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্যৰ লগতে এই সময়ছোৱাৰ অসমীয়া কবিতা সম্পর্কে আলোচনা কৰিম।

৯.৩ স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য

ভাৰতবর্ষই ব্রিটিছ ঔপনিৱেশিকতাৰ পৰা মুক্তি পোৱাৰ আগৰে পৰাই ভাৰতকে ধৰি সমগ্র বিশ্ব বিভিন্ন ঘটনা-পৰিঘটনাৰে জর্জৰিত। বিশেষকৈ দ্বিতীয় মহাসমৰৰ পাছত সমগ্র বিশ্বতে আৰম্ভ হয় নৈৰাজ্যবোধ আৰু মানুহৰ সামাজিক-নৈতিক অৱক্ষয়। অসমো ইয়াৰ পৰা সাৰি নগ'ল। দ্বিতীয় বিশ্বযুদ্ধই মানুহৰ প্রচলিত সামাজিক দৃষ্টিভংগী তথা মূল্যবোধক কুঠাৰঘাত কৰে। এই সময়তেই ভাৰতবর্ষই লাভ কৰে স্বাধীনতা। ই মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিছিল যদিও বহু নতুন নতুন সমস্যাৰো সৃষ্টি কৰিলে।

আলোচ্য সময়ছোৱাৰ ৰাজনৈতিক পৰিৱর্তনে অসমীয়া সমাজ জীৱনক যিমান প্রভাৱিত কৰিছে তাতকৈ বেছি পৰিৱর্তন সাধন হৈছে অসমীয়া মানুহৰ আর্থ-সামাজিক তথা মানসিক জগতখন। তদুপৰি বিভিন্ন সময়ত উন্মোচিত হোৱা সাহিত্যতত্ত্ব, শিল্প সংৰচনাত আহি পৰা নতুন নতুন দৃষ্টিভংগী আদিয়েও অসমীয়া সাহিত্যৰ ৰচনা ৰীতিৰ দিশত গভীৰ প্রভাৱ বিস্তাৰ কৰিছে।

স্বৰাজোত্তৰ কালছোৱাত অসমৰ আর্থ-সামাজিক আৰু ৰাজনৈতিক জীৱনত আৰম্ভ হ'ল সামাজিক মূল্যবোধৰ অৱক্ষয়— মানৱীয় মূল্যবোধৰ অধঃপতন, বস্তুবাদী ভোগবিলাসৰ আদৰণি আদি। মূলতঃ দ্বিতীয় বিশ্বযুদ্ধই অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনক প্রভাৱিত কৰে। এই বিশ্বযুদ্ধই লেখকসকলৰ মনোজগতলৈ কঢ়িয়াই আনিলে জীৱনৰ প্রতি ন ন দৃষ্টিভংগী। ইংৰাজৰ দাসত্বৰ পৰা মুক্ত হোৱাৰ লগে লগে ভাৰতবর্ষই ৰাজনৈতিক স্বাধীনতা লাভ কৰিলে যদিও অর্থনৈতিক দিশত স্বাৱলম্বী হ'ব নোৱাৰিলে। তাৰ ফলত সামাজিক সংঘাত তীব্রতৰ হৈ পৰিল। আনহাতে দ্বিতীয় বিশ্বযুদ্ধৰ পিছত সমগ্র পৃথিৱীতে সৃষ্টি হোৱা নৈৰাশ্যবাদ, নিঃসংগতাবোধ আদিয়েও অসমক চুই গৈছিল। সেই সময়ত সমগ্র বিশ্বতে তোলপাৰ লগোৱা বিজ্ঞানৰ ন ন আৱিষ্কাৰ, যেনে— হাইজেনবার্গৰ অনিশ্চয়তাৰ নীতি, আইনষ্টাইনৰ আপেক্ষিকতাবাদ, মানুহৰ অন্তর্লোক

সম্পর্কে ফ্রয়েডৰ মনোবৈজ্ঞানিক তত্ত্ব, জাঁ পল ছার্তৰ প্রভৃতি চিন্তানায়কৰ অস্তিত্ববাদী চিন্তা, আলবেয়াৰ কেম্যুৰ এবছার্ড ধাৰণা, নীৎচে ঘোষণা কৰা ঈশ্বৰৰ মৃত্যু সম্পর্কীয় ধাৰণা, লুই আৰাগঁ, পল এলুৱাৰ আদিৰ পৰাবাস্তৱবাদী নৈৰাজ্যবাদ আদিয়ে সৃষ্টি কৰা জীৱনৰ অন্তঃসাৰশূন্যতা, বিশ্বাসহীনতা, ছিন্নমূল ধাৰণাৰ প্রভাৱ আদিয়েও অসমক টোৱাই গৈছিল। সেইদৰে যোৱা দুয়োখন মহাযুদ্ধ, মানুহে মানুহৰ প্রতি কৰা আচৰণ, বিজ্ঞানৰ ন ন আৱিষ্কাৰ আদিৰ বাবে ধ্বংস হোৱা মানৱীয়তাৰ বিৰুদ্ধে তথা মানৱ সভ্যতাৰ ব্যর্থতা, জীৱনৰ অগতানুগতিকতা আৰু যান্ত্রিকতাৰ বিৰুদ্ধেও আন এক সামাজিক চেতনা সৃষ্টি হ'ল সাহিত্যৰ মাজত। প্রথম অৱস্থাত এইবোৰ ভাবধাৰা ভাৰতীয় তথা অসমীয়া সাহিত্যত বিৰল আছিল যদিও লাহে লাহে পাশ্চাত্যৰ সংস্পর্শলৈ অহাৰ পিছৰে পৰা অসমীয়া বিভিন্ন সাহিত্যধাৰালৈও প্রৱাহিত হ'ল।

স্বৰাজোত্তৰ কালত শ্রেণীবৈষম্য, সাম্প্রদায়িক অৱক্ষয়, ৰাজনৈতিক খিয়লা-খিয়লি আদিৰ দৰে এশ একুৰি সমস্যাই জনগণক জুৰুলা কৰি তুলিছিল। দৈনন্দিন জীৱনৰ এই সমস্যাৰাজিৰে সমাজখনক প্রতিফলন কৰিবৰ বাবে সাহিত্যিকসকল অধিক বাস্তৱমুখী হৈ পৰিল। ঠাই পালে মানুহৰ মনৰ জটিল মনঃসমীক্ষণৰ কথাও। স্বাধীনতা লাভৰ স্বপ্ন আৰু স্বপ্নভংগ, অর্থনৈতিক ব্যৱধানে সৃষ্টি কৰা মর্মন্তুদ অৱস্থা, সামাজিক অবিচাৰৰ পটভূমিত বিপ্লৱৰ বিদ্যুৎ স্পর্শ, ক্ষুদ্র ক্ষুদ্র জাতিসত্তাই নিজৰ অস্তিত্ব সম্পর্কে সচেতন হৈ তাৰ বাবে গঢ়ি তোলা সশস্ত্র বিপ্লৱ, মানুহৰ নৈতিক অধঃপতন, হৃদয় আৰু মগজুৰ অথবা ব্যক্তি আৰু সমাজৰ চিৰন্তন সংঘাত, মানুহৰ মনত সৃষ্টি হোৱা নিঃসংগতাবোধ, সংঘাত আদিয়ে গ্রাস কৰি অনা সমাজ জীৱনৰ পটভূমিত সাহিত্যিকসকলে ৰচনা কৰিলে তেওঁলোকৰ সৃষ্টিৰাজি। তাৰ লগে লগে অসমীয়া সাহিত্যিকসকলে নিজৰ মনৰ খিড়িকী খুলি দিলে, যাতে বিশ্বৰ বিভিন্ন প্রান্তত সংঘটিত হোৱা বিভিন্ন ঘটনাৰাজিয়েও তেওঁলোকৰ হৃদয় আৰু মগজুত আঘাত কৰিব পাৰে।

স্বৰাজোত্তৰ কালতে ভাৰতীয়সকলৰ অংগ হিচাপে অসমৰ জনগণে প্রত্যক্ষ কৰিলে স্বাধীনতাই ভাৰতবাসীলৈ আকাংক্ষিত ৰত্ন কঢ়িয়াই অনাৰ বিপৰীতে কঢ়িয়াই আনিলে অনাহূত এক শোষণ আৰু প্রতাৰণাৰ ইতিহাস। সেইবাবেই হয়তো ভাৰতবর্ষই স্বাধীনতা লাভ কৰা সময়তেই কেইবাজনো কমিউনিষ্টে 'এই স্বাধীনতা মিছা স্বাধীনতা' বুলি বিদ্রোহ আৰম্ভ কৰিছিল। এই ক্ষেত্রত বিষ্ণু ৰাভা আছিল অন্যতম। লগতে সেই সময়তে অসমত আৰম্ভ হৈছিল আধিয়াৰ আন্দোলন। অসম চৰকাৰৰ ভূমিনীতি আৰু মাটিগিৰি মহাজনসকলৰ বিপক্ষে এই আন্দোলন চলিছিল। আনহাতে অসমীয়া মধ্যবিত্তসকল ব্যস্ত আছিল শাসন কার্য আৰু ক্ষমতাৰ খোৰাকামোৰত। ব্রিটিছসকল গ'ল যদিও ভাৰতৰ শাসনত বহিল এচাম অসাধু ৰাজনৈতিক নেতা আৰু ব্যৱসায়ী। ধনী-দুখীয়াৰ ব্যৱধানে চৰম ৰূপ ল'লে, সাম্প্রদায়িকতাই গা কৰি উঠিল, অসমত প্রৱেশ কৰা লাখ লাখ ভগনীয়া, জনগোষ্ঠীসমূহৰ মাজত সৃষ্টি হোৱা অস্তিত্বৰ সংকট, অর্থনৈতিক অনিশ্চয়তাৰ লগতে ভাৰতীয় পুঁজিপতিসকলৰ শোষণ-নিপীড়নত অসমৰ সর্বসাধাৰণ ৰাইজ দগ্ধ হ'ল। গল্প, কবিতা, নাটকৰ মাজতে প্রতিবাদী কণ্ঠ প্রকট হোৱাৰ ইংগিত পোৱা গ'ল। এই সময়ছোৱাত সামাজিক বাস্তৱতাই সাহিত্যিকসকলৰ মন অধিকাৰ কৰিলে।

মন কৰিবলগীয়া যে ৰাজনৈতিক পৰিৱর্তনে একোটা জাতিৰ সামগ্রিক জীৱন যাত্রাত পৰিৱর্তনৰ সূচনা কৰে। আনহাতে শিক্ষাৰ প্রসাৰেও সাহিত্যৰ জগতখনত প্রভাৱ পেলায়। স্বৰাজোত্তৰ কালৰ অসমৰ ৰাজনৈতিক আৰু শৈক্ষিক প্রেক্ষাপটলৈ দৃষ্টিপাত কৰিলেই এই বক্তব্যৰ যথার্থতা অনুধাৱন কৰিব পাৰি। স্বাধীনতা লাভ কৰাৰ পৰৱর্তী বছৰটোতেই শিক্ষাৰ ক্ষেত্রত কেইবাটাও উল্লেখযোগ্য ঘটনা ঘটে। ১৯৪৮ চনত 'গুৱাহাটী বিশ্ববিদ্যালয়' স্থাপন, পিছত যোৰহাট আৰু গুৱাহাটীৰ খানাপাৰাত ক্রমে 'অসম কৃষি মহাবিদ্যালয়' আৰু 'অসম পশু চিকিৎসা মহাবিদ্যালয়' স্থাপন হয়। এই বছৰতে গুৱাহাটীত 'গুৱাহাটী উচ্চ ন্যায়ালয়ো' স্থাপন কৰা হয়। অৱশ্যে এই কালছোৱাত সংঘটিত হোৱা অবাধ প্রব্রজনৰ ফলত সৃষ্টি হোৱা ভূমি সমস্যা বা মৃতপ্রায় অর্থনীতিৰ পুনৰুত্থানৰ বাবে চৰকাৰে কোনো ধৰণৰ বলিষ্ঠ পদক্ষেপ গ্রহণ নকৰিলে। মূলতঃ ভাৰতবর্ষৰ বৃহৎ পুঁজিৰ লগত আঞ্চলিক পুঁজিৰ সংঘাতে প্রাধান্য পোৱাত সাধাৰণ কৃষকৰ সমস্যা, জনজাতীয় সমাজৰ অর্থনৈতিক পশ্চাদপদতা আৰু তেওঁলোকৰ জাতীয় আকাংক্ষা আদি প্রশ্নবোৰ অৱহেলিত হৈ পৰিলে। এনে অৱস্থাতে ১৯৫০ চনৰ ১৫ আগষ্ট তাৰিখে অসমত সংঘটিত হয় এক প্রবল ভূমিকম্প। এই ভূমিকম্পত সমগ্র অসমতে প্রলয়ৰ সৃষ্টি হয় আৰু সর্বসাধাৰণ ৰাইজৰ অৱস্থা পানীত হাঁহ নচৰা হয়।

এই সময়ছোৱাত অসমৰ পার্বত্য জিলাসমূহত আত্মপ্রতিষ্ঠাৰ সংগ্রাম আৰম্ভ হয় আৰু পৰৱর্তী সময়ত মিজোৰাম, মেঘালয়, অৰুণাচল প্রদেশ, নগালেণ্ড অসমৰ পৰা আঁতৰি গৈ পৃথক ৰাজ্য গঠন কৰে। ১৯৬০ চনত অসম চৰকাৰে অসমীয়া ভাষা ৰাজ্য ভাষা হিচাপে ঘোষণা কৰিবলৈ লোৱা প্রস্তাৱেও এই ক্ষেত্রত অনুঘটকৰ ভূমিকা লৈছিল। ১৯৬২ চনত বিদেশী ৰাষ্ট্র চীনে সীমা-বিবাদক কেন্দ্র কৰি অসম আক্রমণ কৰে আৰু দেশৰ অখণ্ডতাত আঘাত হানে। তেওঁলোক অসমৰ বমডিলা পর্যন্ত অগ্রসৰ হৈছিল আৰু তেতিয়া ভাৰতৰ প্রধানমন্ত্রীয়ে অসমৰ জনসাধাৰণক "My heart goes to people of Assam" বুলি কৈ অসমক চীনা সৈন্যৰ হাততে তুলি দিছিল। এই ঘটনাই অসমীয়া সর্বসাধাৰণ ৰাইজৰ লগতে শাসনত থকা শ্রেণীটোকো সচকিত কৰি তোলে। বহু অসমীয়াই নিজৰ পিতৃভিঠা এৰি পলাবলৈ আৰম্ভ কৰে। অসমৰ জনসাধাৰণে ধাৰণা কৰিবলৈ সুবিধা লাভ কৰিলে যে এই ভূখণ্ডৰ অখণ্ডতাক লৈ কেন্দ্রীয় চৰকাৰ ইমান চিন্তিত নহয়। লাহে লাহে অসমীয়াৰ মনত ক্ষোভৰ জন্ম হ'ল, এচামৰ মনত সার্বভৌম ৰাষ্ট্রৰ বীজ অংকুৰিত হ'ল।

১৯৭২ চনত অসমৰ বিশ্ববিদ্যালয় দুখনত অসমীয়া মাধ্যম চলোৱাৰ দাবী উঠিল। এই আন্দোলনে ভৈয়ামৰ জনগোষ্ঠীসমূহক সংগ্রামী কৰি তুলিলে। কাৰ্বি আৰু বড়োসকলেও স্বায়ত্ব শাসনৰ দাবী উত্থাপন কৰিলে। কিন্তু তেওঁলোকৰ দাবীসমূহ অসমৰ মধ্যবিত্ত প্রধান চৰকাৰ তথা চৰকাৰী বিষয়াসকলে উপলব্ধি নকৰি কঠোৰ হাতেৰেহে দমন কৰাৰ চেষ্টা চলালে। ফলশ্রুতিত তেওঁলোকৰ ক্ষোভ আৰু বাঢ়িহে গ'ল। আনহাতে সমসাময়িক সময়ছোৱাত পশ্চিম পাকিস্তানৰ বিৰুদ্ধে পূর্ব-পাকিস্তানে মুক্তি সংগ্রাম সূচনা কৰে। সেই সময়ত পাকিস্তানৰ চৰকাৰী বাহিনীৰ অত্যাচাৰ সহিব নোৱাৰি প্রায় এক কোটি বাংলাদেশী নাগৰিকে ভাৰতৰ সীমামূৰীয়া ৰাজ্যসমূহত আশ্রয় লয়। এই ব্যক্তিসকলে বাংলাদেশৰ স্বাধীনতাৰ পাছতো দেশলৈ ঘূৰি নগৈ

অসম তথা উত্তৰ-পূৰ্বাঞ্চলতে নিগাজীকৈ থাকিবলৈ ধৰে। এই আন্দোলনত ভাৰত চৰকাৰেও বাংলাদেশক সহযোগ কৰিছিল। কিন্তু তাৰ বেয়া ফল ভূগিলে অসমৰ ৰাইজে। সেই সময়ত হোৱা প্ৰব্ৰজনে অসমৰ আৰ্থ-সামাজিক দিশত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিলে। ইয়াৰ পাছতে দেশৰ নিৰাপত্তাৰ দোহাই দি তদানীন্তন ইন্দিৰা গান্ধী চৰকাৰে দেশত 'আভ্যন্তৰীণ জৰুৰী অৱস্থা' ঘোষণা কৰে। এই সময়ছোৱাত বিক্ষিপ্ত ঘটনাৰে দেশ উত্তাল হৈ পৰে আৰু অসমতো ইয়াৰ প্ৰভাৱ পৰে। এই শাসন ব্যৱস্থা ১৯৭৭ চনলৈকে বলবৎ আছিল।

ইয়াৰ পৰৱৰ্তী সময়ত অসমৰ ৰাজনৈতিক আৰু সামাজিক প্ৰেক্ষাপট আৰু জটিল হৈ পৰে। বিশেষকৈ ১৯৭৯ চনত মঙলদৈ সমষ্টিৰ সাংসদ সদস্য হীৰালাল পাটোৱাৰীৰ মৃত্যু ঘটাত নিৰ্বাচন আয়োগে উপ-নিৰ্বাচন ঘোষণা কৰে। এই সমষ্টিটোৰ ভোটাৰ তালিকা প্ৰস্তুত কৰাৰ সময়তে প্ৰায় ৭০,০০০ সন্দেহ যুক্ত নাগৰিকৰ নাম অন্তৰ্ভুক্ত হোৱা বুলি প্ৰতিবাদ আৰম্ভ হয়। ক্ৰমান্বয়ে এই আন্দোলনে তীব্ৰ ৰূপ ধাৰণ কৰিলে। অসমত ৰাষ্ট্ৰপতি শাসন জাৰি কৰা হয় আৰু বিভিন্ন ঠাইত ভালেমান হিংসাত্মক ঘটনা সংঘটিত হয়। ১৯৮৩ চনত কেন্দ্ৰীয় চৰকাৰে মধ্যৱৰ্তীকালীন নিৰ্বাচন ঘোষণা কৰিলে। ফলশ্ৰুতিত আন্দোলনটোৱে অধিক তীব্ৰতৰ আৰু হিংসাত্মক ৰূপ ধাৰণ কৰে। এই সময়ছোৱাতে সশস্ত্ৰ পন্থাত বিশ্বাসী কেইজনমান যুৱকে ১৯৭৯ চনত ৰংঘৰ বাকৰিত স্বাধীন অসমৰ দাবীত ULFA নামেৰে এটা উগ্ৰবাদী সংগঠন প্ৰতিষ্ঠা কৰে। এই কালছোৱাত North East Regional Defence Army, Seven United Liberation Army, United Liberation Army of Seven States, Assam Peoples Liberation Army, Jagrata Matri Mukti Bahini আদি উগ্ৰবাদী সংগঠনেও জন্মলাভ কৰিছিল। এই সংগঠনসমূহৰ সৃষ্টি হোৱাৰ কাৰণ হিচাপে তেওঁলোকে তেওঁলোকৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে কৰি থকা শোষণৰ কথালৈকে আঙুলিয়াই। ছবছৰ ধৰি চলা অসম আন্দোলনে সমগ্ৰ অসমৰ জন জীৱন একেবাৰে বিধস্ত কৰি পেলাইছিল। কোনো ধৰণৰ উল্লেখযোগ্য সৃষ্টিশীল কাম এই সময়ছোৱাত ৰূপায়ণ হোৱা নাছিল।

১৯৮৫ চনৰ ১৫ আগষ্টত 'অসম চুক্তি' সম্পাদনেৰে অসম আন্দোলনৰ সমাপ্তি ঘটে। অসম আন্দোলনৰ নেতৃবৰ্গই 'অসম গণ পৰিষদ' নামেৰে ৰাজনৈতিক সংগঠন এটা গঠন কৰি অসমত চৰকাৰ গঠন কৰে। অসমত নিজৰ চৰকাৰ প্ৰতিষ্ঠা হোৱাত অসমৰ ৰাইজেও স্বস্তিৰ নিশ্বাস কাঢ়িছিল। তেওঁলোকে অসমলৈ শান্তি ঘূৰাই আনিব বুলি আশা কৰিছিল। কিন্তু সেই সময়তে আলফাৰ সক্ৰিয়তা বৃদ্ধি আৰু চৰকাৰী বাহিনীৰ সৈতে তেওঁলোকৰ প্ৰত্যক্ষ সংঘাত আৰম্ভ হয়। ক্ৰমান্বয়ে অসমৰ সমাজ জীৱন বিভিন্ন বিক্ষিপ্ত হিংসাত্মক ঘটনাৰে জৰ্জৰিত হৈ পৰে। ৰাষ্ট্ৰপতি শাসন, অপাৰেচন বজৰং, অপাৰেচন ৰাইনো, আলফা-ছালফাৰ সৃষ্টি আৰু ভাতৃঘাতী সংঘৰ্ষ, গুপ্তহত্যা, বড়োসকলে আৰম্ভ কৰা সশস্ত্ৰ সংগ্ৰাম, বড়ো-মুছলমান সংঘাত, বড়ো-চাওতাল সংঘাত, অল ক্লিয়েৰ অপাৰেচন আদি বিভিন্ন ঘটনা-পৰিঘটনাই সমগ্ৰ অসমতে আতংকৰ সৃষ্টি কৰিলে। অসমৰ মানুহৰ নৈতিক অধঃপতন ঘটিল। এই সমগ্ৰ ঘটনাবোৰৰ পৰা বিপৰ্যস্ত হ'ল সৰ্বসাধাৰণ জনতা আৰু এচাম মধ্যভোগী লাভৱান হ'ল।

এনেদৰে পর্যালোচনা কৰিলে দেখা যায় যে যোৱা শতিকাৰ শেষৰ দশক দুটাত অসমৰ সামগ্রিক পৰিৱেশ হৈ পৰিছিল হত্যা, হিংসা আৰু আতংকৰে জর্জৰিত। চৌদিশে মাৰ-ধৰ, ভাবুকি প্রদান, কষ্টোপার্জিত অর্থ-গাড়ী-মটৰ আদি বলপূর্বকভাৱে কাঢ়ি নিয়া, গাঁৱে-ভূঞে সামৰিক বাহিনীৰ অবাধ গতি ইত্যাদি অসমৰ সমাজ জীৱনৰ একোটা অংগলৈ ৰূপান্তৰিত হ'ল। "হিংসাক দৈনন্দিন জীৱনৰ এক অভিন্ন অংগলৈ ৰূপান্তৰিত কৰা হৈছিল। গণতান্ত্রিক পৰিৱেশ এটিক ব্যাহত কৰি চৰকাৰী-বেচৰকাৰী নৈৰাজ্যৰ পৰিৱেশ গঢ়ি তোলাত দুয়োটা পক্ষ সফল হৈছিল বুলি ক'ব পাৰি।" এনেদৰে স্বৰাজোত্তৰ কালত অসমৰ সমাজ জীৱন আৰু অধিক জটিলহে হৈ পৰিল, বিভিন্ন ন ন সমস্যাৰে ভাৰাক্রান্ত হৈ উঠিল। এই সকলোবোৰ কাৰকে অসমীয়া সাহিত্যিকসকলৰ প্রভাৱিত কৰিলে।

পাশ্চাত্য সাহিত্যত আধুনিকতাৰ যিবোৰ লক্ষণ আৰু বৈশিষ্ট্য, সেইসমূহ মূলতঃ ভাৰতীয় সাহিত্যৰ এই কালছোৱাতহে অধিক পৰিলক্ষিত হয়। সাম্প্রতিক সাহিত্যৰ সৈতে ইতিহাস চেতনা আৰু বাস্তৱধর্মী দৃষ্টিভঙ্গী গভীৰভাৱে সংযুক্ত হৈ আছে। মানুহৰ মনৰ আৱৰণ ভেদ কৰি হৃদয়ৰ অভ্যন্তৰত থকা মর্মকথা পোহৰাব পৰা চিন্তাশক্তিয়ে সাম্প্রতিক সাহিত্যৰ উপলব্ধিক বিশেষভাৱে সমৃদ্ধ কৰিছে। ফলস্বৰূপে কবিতা, চুটিগল্প, উপন্যাস প্রভৃতিৰ ক্ষেত্রত নতুন আঙ্গিক আৰু বিষয়বস্তুয়ে প্রকাশ আৰু বিকাশ লাভ কৰিছে। আধুনিক অসমীয়া কবিতাৰ প্রকৃতি সম্পর্কত মন্তব্য কৰি কবীন ফুকন ডাঙৰীয়াই লিখিছে—"প্রবল আবেগৰ সৈতে তীক্ষ্ণ কিন্তু সংযমী মনন বা বোধিৰ সংশ্লেষণে, সাদৃশ্যৰ মাজত বৈসাদৃশ্য আৰু বৈসাদৃশ্যৰ মাজত অপ্রত্যাশিত সাদৃশ্য বিচৰাৰ বিজ্ঞানসন্মত উদ্দীপনাই, ঐহিক আৰু ঐশিকৰ বিস্ফোৰিত বিৰোধ আৰু সংস্থাপনে, মনৰ ৰহস্যৰ ভিতৰলৈ অনুসন্ধানী আৰু বন্ধনমুক্ত অভিযানে, সাধাৰণ কথিত ভাষাৰ সুপ্ত অসাধাৰণ কাব্যদৃষ্টিৰ উন্মেষে কাব্যকথা আৰু কাব্যৰূপক আধুনিকতা দিব পাৰে। সাধাৰণভাৱে বোধি-প্রাধান্যক আধুনিক কবিতাৰ লক্ষণ বুলি প্রায়েই কোৱা হয়।" কেৱল কবিতাই নহয়, চুটিগল্প আৰু উপন্যাস তথা নাটকতো নবীন দৃষ্টিভঙ্গীয়ে প্রসাৰ লাভ কৰিছে। মানুহৰ অনুভূতিক চিন্তাৰ সৈতে সংযুক্ত কৰি আধুনিক সাহিত্যই মানুহৰ মনৰ গভীৰতাত প্রৱেশৰ প্রয়াস কৰিছে।

'ৰামধেনু যুগৰ অসমীয়া সাহিত্য' সম্পর্কে হেম বৰুৱাই এযাৰ বক্তব্য কৈছিল— "আধুনিক সাহিত্যৰ প্রকাশভঙ্গীত আধুনিক যুগৰ ব্যক্তিগত প্রতিভাৰ সাঁচ জিলিকি আছে। প্রাচীন নাট্য-সাহিত্যৰ ধৰণ-কৰণ, নিয়ম-প্রণালী বার্ণার্ড শ্ব', ইবছেন আদিৰ ব্যক্তিগত প্রতিভা পৰি সুকীয়া গঢ় লৈছে। কবিতাৰ বিষয়বস্তু, প্রকাশভঙ্গীত পাউণ্ড, এলিয়ট, ছিটৱেল আদিৰ স্বতন্ত্র ধৰণে সুকীয়া সাঁচ দিছে। সেই একেদৰে উপন্যাস সাহিত্যত দৰথী ৰিছার্ডছন, জেমছ জ'য়েচ, ভার্জিনা উলৱাৰ নিচিনা কেইগৰাকীমানে ন বোল সানিছে। লগে লগে কাব্য জগতত নতুন ছন্দৰ আৰির্ভাৱ হৈছে। 'ভার্ছ লিবৰে', 'স্প্রাং ভার্চ'— এনে ধৰণৰ ছন্দই কাব্য জগতত নতুন সাহিত্যৰ চোকা পোহৰৰ পৰা আঁতৰি থাকিব পৰা নাই। লিটন ষ্ট্রেছি, আঁৰে মৰে, এমিল লাডউইগ আদিৰ হাতত পৰি জীৱন-চৰিত ৰচনাৰ উপায় নতুন হৈছে।" এই কথাষাৰ তাৰ আমাৰ আলোচ্য গোটেই সময়ছোৱাৰ বাবেই প্রযোজ্য।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ স্বৰাজোত্তৰ কালছোৱাত অসমৰ আর্থ-সামাজিক আৰু ৰাজনৈতিক জীৱন কেনে আছিল?

.....

.....

.....

প্রশ্ন নং ২ ঃ ১৯৪৮ চনত অসমৰ শিক্ষাৰ ক্ষেত্রত কি কি নতুন পৰিৱর্তন সাধন হৈছিল?

.....

.....

.....

.....

৯.৪ স্বাধীনতাৰ পৰৱর্তীকালৰ আধুনিক অসমীয়া সাহিত্য

কুৰি শতিকাৰ চতুর্থ দশকটোৰ শেষৰ ফালে আৰম্ভ হোৱা দ্বিতীয় মহাযুদ্ধই সাহিত্যৰ সকলো ঠালৈলৈকে নতুন যুগৰ বার্তা, নতুন চেতনা কঢ়িয়াই আনে। তেনে সময়তে ভাৰতবর্ষই স্বাধীনতা লাভ কৰে। তাৰ পাছৰে পৰা অসমৰ সমাজ-জীৱন কেনে আছিল সেই বিষয়ে ইতিমধ্যে আলোচনা কৰি অহা হৈছে। সেই আর্থ-সামাজিক-ৰাজনৈতিক-বৌদ্ধিক পটভূমিত অসমীয়া সাহিত্যিকসকলে নিজৰ ধৰণে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিবলৈ যত্নপৰ হ'ল। এই শাখাটোত আমি আমাৰ আলোচ্য সময়ছোৱাৰ অসমীয়া কবিতা সম্পর্কে আলোকপাত কৰিম। প্রসংগক্রমে উল্লেখ কৰি যাওঁ যে সাহিত্যৰ ইতিহাসকাৰ সকলে সাধাৰণতে অসমীয়া সাহিত্যৰ ১৯৪০-১৯৭০ চনৰ সময়সীমাক 'যুদ্ধোত্তৰ যুগ ঃ প্রথম পর্ব বা প্রথম স্তৰ' আৰু ১৯৭০-২০০০ চনৰ সময়সীমাক 'যুদ্ধোত্তৰ যুগ ঃ দ্বিতীয় পর্ব বা দ্বিতীয় স্তৰ' বুলি চিহ্নিত কৰি আলোচনা কৰে। আমাৰ আলোচনাত দুয়োটা সময়সীমা একেলগ কৰিয়েই আলোচনা কৰা হ'ব।

৯.৪.১ কবিতা

১৯৮৩ চনত নতুনকৈ প্রকাশ পোৱা *জয়ন্তী* কাকতে বাট কাটি যোৱা অসমীয়া কবিতা ধাৰাটো স্বৰাজোত্তৰ কালত বিষয়বস্তু, শব্দচয়ন, বাক্য বিন্যাসৰ লগতে প্রতীক, চিত্রকল্প, ছন্দ সজ্জা আদি সকলো দিশতে নতুনত্বৰ পৰশেৰে ৰঞ্জিত হৈ উঠে। এই সময়ৰ কবিতা অধিকতৰভাৱে গদ্যৰ ওচৰ চাপি আহিল। শব্দচয়নত ইংৰাজী, সংস্কৃত, বাংলা, হিন্দী আদি ভাৰতীয় ভাষাৰ প্রভাৱ চৰিল। শব্দ প্রয়োগৰ কৃপণালিৰ বাবেও নতুন কবিকুলৰ কবিতাসমূহ দুর্বোধ্য হৈ পৰিল। কবিসকলে নতুন কবিতাৰ দৈহিক গঠনৰ

আদর্শ বিচাৰি বিশ্বৰ বিভিন্ন কবিতাৰ উর্বৰ ক্ষেত্রখনো আঁকোৱালি ল'লে, কবিতাত প্রতীক আৰু চিত্রকল্পৰো বৈশিষ্ট্যপূর্ণ সংযোজন ঘটিল। উদাহৰণস্বৰূপে তেওঁলোকে জাপানী কবিতাৰ জনপ্রিয় আর্হি 'টংক' আৰু 'হাইকু'ক গ্রহণ কৰিলে। অৱশ্যে মন কৰিবলগীয়া যে প্রতীক আৰু চিত্রকল্পৰ ব্যাপক প্রয়োগে কবিতাৰ জটিলতা বৃদ্ধি কৰিলে, ফলস্বৰূপে সর্বসাধাৰণ পাঠকে এই কবিতা দুর্বোধ্য বুলিও ক'বলৈ ধৰিলে। এনেদৰে নতুন নতুন ভাব, অভিজ্ঞতা আৰু বাস্তৱ দৃষ্টিভংগীৰ নব্য প্রকাশ, আঙ্গিকৰ অভিনৱত্বৰে অসমীয়া কবিতা কুঁৱৰীয়ে নতুন ৰূপ পৰিগ্রহ কৰাৰ লগতে অসমীয়া কাব্যাকাশলৈ এটা নতুন যুগ আহ্বান কৰি আনে। বিশেষকৈ দ্বিতীয় স্তৰৰ যুদ্ধোত্তৰ অসমীয়া কবিতা (১৯৭০-২০০০ চনৰ) নতুন দিগন্ত সাৱটিলে। মহেশ্বৰ নেওগৰ এই সময়ছোৱাৰ কবিতাৰ বিষয়ে আলোচনা কৰাৰ প্রসংগত উল্লেখ কৰি গৈছে— "দ্বিতীয় স্তৰৰ যুদ্ধোত্তৰ অসমীয়া কবিতা আৰু এটা কেঁকুৰি ঘূৰি আহিল। কিবা সাম্প্রতিকতালৈ লক্ষ্য কৰি এই নৱতম স্তৰৰ কবিতাৰ নাম ৰখা হৈছে সাম্প্রতিক কবিতা। জগতত উন্মুক্ত বায়ু লগাকৈ মনৰ সকলো দুৱাৰ-খিৰিকি খুলি ৰখা সাম্প্রতিক কবিতাৰ ধর্ম।" এই প্রসংগত তেওঁ বাংলা কবিতাৰ প্রসংগ টানি আনি এই সময়ৰ কবিতাৰ কিছু বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। তাৰে কেইটামান হ'ল—

- ধর্ম, প্রেম, সৌন্দর্য আদিৰ প্রতি প্রতিষ্ঠিত মূল্যবোধত সংশয়
- জৈৱ দেহজ কামনা আৰু প্রেমৰ ৰক্তমাংসস্থূল শৰীৰ সর্বস্ব ৰূপৰ প্রত্যক্ষীকৰণ
- নগৰকেন্দ্রিক যান্ত্রিক সভ্যতাৰ অভিঘাট
- নৈৰাশ্য আৰু ক্লান্তিবোধ
- ভাষা প্রয়োগত যুগ মানসৰ ছায়াৰ দৰে দুর্বোধ্যতা
- বিশ্বৰ বিভিন্ন ঐতিহ্যৰ পৰা সমল আহৰণ
- ফ্রয়েড, য়ুং, মার্ক্স আদি চিন্তানায়কৰ চিন্তাৰ প্রকাশ
- আংগিকৰ দিশত ৰোমাণ্টিকতাৰ তীব্র বিৰোধ
- প্রচলিত কবি প্রসিদ্ধিৰ ঠাইত নিজা প্রতীক-চিত্রকল্পৰ প্রয়োগ
- যত্র-তত্র উদ্ধৃতি
- বাক্য গঠনত অর্থঘনত্বৰ সৃষ্টি
- প্রাচ্য-পাশ্চাত্যৰ বিভিন্ন কবিৰ আর্হি গ্রহণ, ইত্যাদি।

এই সকলোখিনি আমাৰ আলোচ্য কালছোৱাৰ কবিতাৰ মাজত প্রতিভাত হৈছে। পুনৰ মহেশ্বৰ নেওগৰ ভাষাৰেই— "নতুন অসমীয়া কবিতাৰ মুকুৰতো বিশ্বৰূপদর্শন আজি সম্ভৱ হৈছে। অন্তর্মুখী আৰু বহির্মুখী নানা শক্তিৰ দ্বন্দ্বৰ মাজেদি আজিৰ কবিতা আজিৰ কবি-মানসৰ প্রতিভূ হৈছে। সাম্প্রতিক কবিতা কোনো একোখন সত্রৰ শিষ্য নহয় বা কোনো এক বর্ণৰ চিহ্নৰ দ্বাৰাও চিহ্নিত নহয়। গোষ্ঠীবন্ধনৰ চেষ্টা থাকিলেও একেই দলত সমাজ সচেতনাৰপৰা জীৱন-পলাতক ব্যক্তিবাদীলৈকে থিয় দিছে। এফালে

যেনেকৈ নব্যৰোমাণ্টিক ক্লান্তি-নৈৰাশ্য আৰু আলসুৱা জীৱনৰ মোহ ফুটি উঠিছে, আনফালে বামপন্থী সুৰো তেনেকৈ অনিস্তব্ধ। ভাষা-শৈলী, চিত্রকল্প আৰু আৰু অভিন্ন শব্দ আৰু খণ্ড-বাক্যৰ প্রয়োগ আদি কিছুমান বাহ্যিক সামঞ্জস্যই কেতিয়াবা অৱশ্যে সম্প্রদায়-ৰূপ নির্দেশ কৰে।" মহেশ্বৰ নেওগৰ এই বক্তব্যৰ আধাৰতে আমি ধাৰণা কৰিব পাৰোঁ যে আমাৰ আলোচ্য সময়ছোৱাৰ অসমীয়া কবিতাক কোনো এটা নির্দিষ্ট সূত্র, বিষয়বস্তু বা শ্রেণীৰ মাজত আবদ্ধ কৰিব নোৱাৰি; এই সময়ৰ কবিতাত বিভিন্ন মতবাদ-বাদ (-ism)ৰ প্রকাশো মন কৰিবলগীয়া।

অসমীয়া কবিতাৰ বহু সমালোচকে হেম বৰুৱাকে আধুনিক কাব্য ৰীতিৰ প্রৱর্তক বুলি চিহ্নিত কৰিব বিচাৰে। 1929 চনৰ পৰা দীননাথ শর্মাৰ সম্পাদনাত প্রকাশিত *আৱাহন* কাকতৰ পাততে প্রকাশ পোৱা এওঁৰ 'বান্দৰ' নামৰ কবিতাটো আছিল আধুনিক কবিতাৰ শক্তিশালী বার্তাবাহক। হেম বৰুৱাৰ *বালিচন্দা*(1962), *মনময়ূৰী*(1967)ৰ কবিতাবোৰৰ মাজত সাম্যবাদৰ ধবনি, নিষ্পেষিতাৰ প্রতি দৰদ বৰ প্রবল।

স্বৰাজোত্তৰ কালৰ অসমীয়া কবিতাক নব্য ধাৰণাৰে সমৃদ্ধ কৰা আটাইতকৈ শক্তিশালী কবিগৰাকী হ'ল নৱকান্ত বৰুৱা। এওঁৰ কবিতাই আধুনিক কবিতাক সুপ্রতিষ্ঠিত কৰাৰ লগতে জনপ্রিয়তা বৃদ্ধিতো সহায় কৰিলে। অসমীয়া আধুনিক কবিতাৰ উত্তৰণৰ ক্ষেত্রত নৱকান্ত বৰুৱাৰ অৱদান অনস্বীকার্য। তেওঁৰ কাব্যৰ পৰিধি আটাইতকৈ বহল; ৰবীন্দ্রনাথৰ পৰা এলিয়টলৈ, প্রাচ্য আৰু পাশ্চাত্য কেইবাগৰাকীও বিখ্যাত কবিৰ সুখকৰ প্রভাৱ তেওঁৰ কবিতাত জড়িত হৈ আছে; কবিতাৰ আঙ্গিক আৰু বিষয়বস্তুৰ ক্ষেত্রত ন-ন পৰীক্ষাৰে তেওঁ আধুনিক অসমীয়া কবিতাক ঐশ্বর্যশালী কৰি তুলিছে। তেওঁ অসমীয়া কবিতাত মুক্তক আৰু স্পন্দিত গদ্য ব্যৱহাৰত বৈচিত্র্যৰ সৃষ্টি কৰিলে, শব্দৰ ধ্বনিগত ব্যঞ্জনাৰ যি অনন্ত সম্ভাৱনীয়তা আৰু নমনীয়তা সেয়া প্রতিপন্ন কৰিলে, অসমীয়া ভাষাক আধুনিক কবিতাৰ প্রকৃষ্ট ভাষা ৰূপে চিহ্নিত কৰিবলৈ তেওঁ যেনেদৰে কৃচ্ছ্রসাধনা কৰিলে তাৰ ফলত অসমীয়া আধুনিক কবিতাই এক নতুন ৰূপত উদ্ভাসিত হ'ল। বহু সমালোচকে সেইবাবে নৱকান্ত বৰুৱাই অসমীয়া কবিতাৰ ইতিহাসত এটা যুগৰ সৃষ্টি কৰিলে বুলিও মত পোষণ কৰে। তেওঁ বিংশ শতিকাৰ চল্লিশৰ শেষৰ ফালে কবি হিচাপে আত্মপ্রকাশ কৰিছিল। তেওঁৰ কাব্য পুথি কেইখনমান হ'ল — *হে অৰণ্য, হে মহানগৰ*(1951), *এটি দুটি এঘাৰটা তৰা*(1957), *যতি আৰু স্কেচ*(1961), *সম্রাট*(1962), *ৰাৱণ*(1964), *মোৰ আৰু পৃথিৱীৰ*(1970), *ৰত্নাকৰ আৰু অন্যান্য কবিতা*(1986), *এখন স্বচ্ছ মুখাৰে*(1990)। তেওঁৰ কবিতাত আধুনিক যান্ত্রিক তথা নাগৰিক সভ্যতাই সৃষ্টি কৰা সংকট, দ্বিধা, সংকোচ আৰু তাৰ প্রতি ঘৃণা, প্রাচীন ঐতিহ্যৰ প্রতি সচেতন দৃষ্টিভঙ্গী, মানৱতাবাদৰ মাজেদি এখন সুস্থ সমাজ গঢ়ি তোলাৰ আগ্রহ প্রকাশ পাইছে। মন কৰিবলগীয়া যে বিষয়ৰ উপযোগী ছন্দৰ প্রয়োগ, প্রকাশভঙ্গীৰ সংযম আৰু সৰলতা, গভীৰ ইতিহাস চেতনা এওঁৰ কবিতাৰ প্রধান বৈশিষ্ট্য।

নৱকান্ত বৰুৱাৰ হাততে অসমীয়া কবিতাত প্রতিবাদৰ বিপৰীতে আন এটা নব্য ধাৰাৰ সৃষ্টি হয়। নৱকান্ত বৰুৱাক এই ধাৰাটোৰ অগ্রগামী বুলি আখ্যা দিয়া হৈছে। এই ধাৰাৰ কবিসকলে ব্যক্তিসত্তাৰ স্বাধীনতাক স্বীকাৰ কৰিও সমাজবাদত নিজৰ আস্থা প্রকাশ কৰে। বহু সমালোচকে এই ধাৰাটোক বুদ্ধিনিষ্ঠ ধাৰা বুলিও অভিহিত কৰিব খোজে। পাশ্চাত্যৰ ইলিয়ট, অডেন, বোডলেয়াৰ, স্পেণ্ডাৰ, লুইচ, মায়াক'ভস্কি, ৰিল্কে আদি কবিৰ দ্বাৰা প্রভাৰিত হৈ এই ধাৰাৰ কবিসকলে কাব্য ৰচনাত মনোনিৱেশ কৰে। নৱকান্ত বৰুৱাৰ উপৰি এই ধাৰাটোৰ উল্লেখযোগ্য কবিসকল হ'ল নীলমণি ফুকন, ভৱেন বৰুৱা, মহেন্দ্র বৰা, হীৰেন্দ্রনাথ দত্ত, হোমেন বৰগোহাঞি, মহিম বৰা, হৰি বৰকাকতি আদি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ স্বৰাজোত্তৰ কালছোৱাত আধুনিক অসমীয়া কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

প্রশ্ন নং ৪ ঃ কবি নৱকান্ত বৰুৱাৰ কবিতাৰ দুটা বৈশিষ্ট্য উল্লেখ কৰক।

.....

.....

.....

.....

আলোচ্য সময়সীমাৰ ভিতৰত আৱির্ভাৱ ঘটা কবিসকলৰ ভিতৰত এগৰাকী প্রধান কবি হ'ল চৈয়দ আব্দুল মালিক। মালিক মূলতঃ কথা-শিল্পী হিচাপে খ্যাত যদিও এই সময়ছোৱাতে *বেদুইন*(1948) আৰু *স্বাক্ষৰ*(1964) নামেৰে দুখন কবিতাপুথি ৰচনা কৰে। জ্ঞানপীঠ বঁটা বিজয়ী কথাশিল্পী বীৰেন্দ্র কুমাৰ ভট্টাচার্যয়ো এই সময়ৰ *জয়ন্তী, পছোৱা আৰু ৰামধেনু* কাকতত কবিতা লিখিছিল। সমাজবাদত বিশ্বাসী এইজনা কবিৰ 'বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি', 'ফেঁচা', 'বৰ ভূঁইকঁপ', 'যাত্রাৰ শেষ হ'লে' আদি উল্লেখযোগ্য কবিতা। ষোৱা শতিকাৰ পঞ্চাশৰ দশকৰ আৰম্ভণিতে অসমীয়া কবিতাত শুভাৰম্ভ ঘটিছিল প্রগতিবাদী ধাৰাটোৰ। পৰৱর্তী কালত এই ধাৰাটোক প্রতিনিধিত্ব কৰা কবিকুলৰ ভিতৰত হীৰেন গোহাঁই, হীৰেন ভট্টাচার্য, অমলেন্দু গুহ, কেশৰ মহন্ত, ৰবীন্দ্র সৰকাৰ, হেমাঙ্গ বিশ্বাস আদিৰ নাম উল্লেখযোগ্য। এই কবিসকলে যুগোচিত নতুন আঙ্গিকেৰে বাস্তৱতাৰ ভিত্তিত সমাজবাদী আদর্শটোকে প্রধান আদর্শ

হিচাপে গণ্য কৰিয়েই তেওঁলোকৰ কাব্য ভাৱনাক সম্প্রসাৰিত কৰিছিল। এই ধাৰাত বিশ্বাসী আন এগৰাকী কবি হ'ল অমলেন্দু গুহ। তেওঁৰ *তোমালৈ* (1960) কাব্যপুথিত শ্রমজীৱী কৃষক-বনুৱা মানুহৰ সংগ্রামৰ প্রতিচ্ছবি দেখা পোৱা যায়। *আমাৰ পৃথিৱী* (1946), *আগন্তুক* (1964) কাব্য পুথিৰে অসমীয়া কাব্য সাহিত্যক বাঁওপন্থী চিন্তা-চেতনাৰে সমৃদ্ধ কৰা এগৰাকী কবি তথা গীতিকাৰ হ'ল কেশৱ মহন্ত। এওঁলোকৰ উপৰি প্রগতিবাদী ধাৰাটোৰ আন এগৰাকী বিশিষ্ট কবি নলিনীধৰ ভট্টাচার্যই আলোচ্য সময়ছোৱাত তিনিখন কবিতাৰ সংকলনৰ প্রকাশ কৰিছে— *এই কুঁৱলীতে* (1979), *চেৰশালিৰ মালিতা* (1983) আৰু *আহত সপোন* (1985)। 'পথাৰ'ৰ কবিৰূপে খ্যাত ৰাম গগৈয়ে এই সময়ছোৱাত লিখা কাব্য পুথিকেইখন হ'ল— *মাটিৰ স্বপ্ন* (1964) আৰু *হে পৃথিৱী অন্তৰাতমা* (1986)। উল্লেখযোগ্য যে মাটি, মানুহ, পথাৰ, ঘাম, শোষণ-নিষ্পেষণ গগৈৰ কবিতাৰ বিষয়বস্তু।

নতুন প্রজন্মৰ মাজত 'হীৰুদা' নামেৰে জনপ্রিয়তা অর্জন কৰা হীৰেন ভট্টাচার্যই শব্দসম্ভাৰ আৰু অনুভূতিৰ তীব্রতাৰে অসমীয়া কাব্য জগতলৈ এক নতুন সম্ভাৱনা কঢ়িয়াই আনে। 'সুগন্ধি পখিলা'ৰ কবি হীৰেন ভট্টাচার্যই *ৰৌদ্র কামনা* (1964), *মোৰ দেশ মোৰ প্রেমৰ কবিতা* (1969), *বিভিন্ন দিনৰ কবিতা* (1974), *কবিতাৰ ৰ'দ* (1977), *সুগন্ধি পখিলা* (1981) কাব্যপুথিৰে এই কালছোৱা সমৃদ্ধ কৰিছিল। প্রগতিশীল সমাজ চেতনা আছিল এওঁৰ এই সময়ৰ কবিতাসমূহৰ মূল উপজীব্য। অসমীয়া ভাষাৰ কালিকাৰ সফল প্রয়োগেৰে ক্ষুদ্র ক্ষুদ্র চিত্রকল্প নির্মাণ কৰি, এশাৰী বা দুশাৰী কবিতাৰ যোগেদিয়েই তেওঁ গভীৰ তাৎপর্যপূর্ণ ভাব তথা অর্থ প্রকাশ কৰিব পাৰে। এই সময়তে *কুল-খুৰাৰ চোতাল* (1970) কাব্য পুথিৰে বিপ্লৱী চেতনা, বাস্তৱতাবোধ, মানৱতাবোধৰ কথা প্রকাশ কৰা আন এগৰাকী সমাজবাদী কবি হ'ল হেমাঙ্গ বিশ্বাস।

হৰি বৰকাকতি হ'ল আলোচ্য সময়ছোৱাৰ পঞ্চম আৰু ষষ্ঠ দশকৰ এগৰাকী উল্লেখযোগ্য কবি। তেওঁৰ প্রকাশিত কাব্য-পুথিকেইখনি হ'ল— *কোনোবা শীতৰ এক বগা সন্ধিয়াত* (1971), *হৰি বৰকাকতিৰ কবিতা* (1978) আৰু *সময় বালিৰ খোজ* (1981)। প্রসংগক্রমে উল্লেখযোগ্য যে তেওঁ ৰামধেনু কাকত প্রকাশ পোৱা সময়ছোৱাতে কাব্য চর্চাত লিপ্ত হৈছিল যদিও কবিতাখিনি পুথি আকাৰত প্রকাশ পায় পৰৱর্তী কালতহে। চতুর্থ দশকৰ শেষৰ ফালে কাব্য পৰিক্রমা আৰম্ভ কৰা মহেন্দ্র বৰাৰ প্রথমখন কাব্যপুথি *জাতিস্মৰ* প্রকাশ পায় 1961 চনত। স্মৰণযোগ্য যে ৰামধেনু যুগৰ সময়ছোৱাতে মহেন্দ্র বৰাৰ সম্পাদনাত প্রকাশ পোৱা *নতুন কবিতা* (1958)খন আধুনিক কবিতাৰ এক উল্লেখযোগ্য সংকলন।

আধুনিক অসমীয়া কবিতাৰ বুদ্ধিদীপ্ত কাব্যিক ধাৰাটো সার্থকভাৱে প্রকাশিত হৈছে ভবেন বৰুৱাৰ কবিতাতো। তেওঁৰ একমাত্র কাব্য সংকলনখন হ'ল *সোণালী জাহাজ* (1977)। বৌদ্ধিক জিজ্ঞাসা, তীব্র অনুভূতি, মননশীলতাৰ লগতে জীৱন

আৰু জগত সম্বন্ধে ৰহস্য সন্ধানী দৃষ্টিভঙ্গী ভবেন বৰুৱাৰ কবিতাৰ মূল বৈশিষ্ট্য।

'মন কুঁৱলী সময়', 'জেংৰাই' আদি কবিতাৰে অসমীয়া কবিতাৰ ইতিহাসত এখন উল্লেখযোগ্য আসন লাভ কৰা অজিত বৰুৱাই চতুর্থ দশকতে আত্মপ্রকাশ কৰিছিল যদিও তেওঁৰ কবিতাসমূহ পুথি আকাৰে প্রকাশ পায় পৰৱর্তী কালতহে। প্রথমতে সমাজবাদী সংগ্রাম আৰু সর্বহাৰাৰ মুক্তিৰ প্রেৰণাৰে কবিতা লিখা এইগৰাকী কবিয়ে পাছলৈ প্রতীকবাদী কাব্য ধাৰণা গ্রহণ কৰিছিল। এওঁৰ কবিতাৰ সংকলনকেইটি হ'ল— *কিছুমান পদ্য আৰু গান (1982) আৰু ব্রহ্মপুত্র ইত্যাদি পদ্য*(1989)।

আলোচ্য কালছোৱাৰ এগৰাকী উল্লেখযোগ্য ৰমন্যাসিক কবি হ'ল নির্মলপ্রভা বৰদলৈ। বৰদলৈৰ কবিতাত কাব্যিক অনুভূতিক অতি সংক্ষেপে অথচ সংবেদনশীলভাৱে আৰু মঞ্জুল ভাষাৰে, চিত্রধর্মী বর্ণনাৰে প্রকাশ হোৱা দেখা যায়। তেওঁৰ কবিতাত গীতিধর্মিতাৰে বিভিন্ন প্রতীক, চিত্রকল্প নির্মাণ কৰি মানুহৰ মনোজগত, স্মৃতি-বিষাদ আদি ব্যক্তিনিষ্ঠ ভাব-অনুভূতি প্রকাশ কৰিছে; লগতে প্রকাশ পাইছে নাৰীমনৰ শংকা, ক্ষোভ, যন্ত্রণা, বিদ্রোহ, গোপন কামনা-বাসনা আদিৰো উন্মুক্তভাৱে প্রকাশ পাইছে।। তেওঁৰ প্রকাশিত কবিতাৰ কেইখনমান সংকলনখন হ'ল— *বন ফৰিঙৰ ৰং*(1967), *দিনৰ পিছত দিন*(1977), *সমীপেষু*(1977) আৰু *অন্তৰঙ্গ*(1978) আদি ।

আলোচ্য সময়ছোৱাৰ পৰা বর্তমানলৈকে অসমীয়া কবিতাক নব্য ৰূপেৰে সমৃদ্ধ কৰা কবিগৰাকী হ'ল নীলমণি ফুকন। প্রতীক আৰু চিত্রকল্প নির্মাণত সিদ্ধহস্ত এইগৰাকী কবিৰ কবিতালানিক জাপানী 'হাইকু আৰু টংক', স্পেনীজ কবি ফেডাৰিকা গার্থিয়া লর্কা আৰু ফৰাচী প্রতীকবাদী আন্দোলনে সমৃদ্ধ কৰিছে। সৌন্দর্যবোধ, প্রেম, দুঃস্বপ্ন, মৃত্যু-চেতনা, ল'ৰালিৰ ধূসৰ স্মৃতি আৰু প্রতীকী ব্যঞ্জনা এওঁৰ কবিতাৰ উল্লেখযোগ্য বৈশিষ্ট্য। কম শব্দৰে, প্রতীকাত্মকভাৱে, অসমীয়া ভাষাৰ কালিকাৰে এওঁৰ কবিতাৰ দেহ সজোৱা হৈছে। অৱশ্যে মন কৰিবলগীয়া যে নীলমণি ফুকনৰ কবিতাতেই স্বৰাজোত্তৰ অসমীয়া কবিতাৰ জটিলতৰ ৰূপটোও প্রতিভাত হয়। আমাৰ আলোচ্য কালছোৱাত তেওঁৰ প্রকাশিত কবিতাপুথিকেইখন হ'ল— *সূর্য হেনো নামি আহে এই নদীয়েদি*(1964), *নির্জনতাৰ শব্দ*(1965), *আৰু কি নৈঃশব্দ*(1968), *ফুলি থকা সূর্যমুখী ফুলটোৰ ফালে*(1972), *কাঁইট গোলাপ আৰু কাঁইট*(1975), *গোলাপী জামুৰ লগ্ন*(1975), *কবিতা*(1981), *নৃত্যৰতা পৃথিৱী*(1985)।

হোমেন বৰগোহাঞিও আলোচ্য সময়ছোৱাৰ আন এগৰাকী শক্তিশালী কবি। তেওঁৰ একমাত্র প্রকাশিত কবিতাৰ পুথি হ'ল— *হৈমন্তী*। 'ইতিহাস', 'ৰাতি', 'স্মৃতি', 'আশ্রয়', 'অফেলিয়া', 'সংগী', 'সাপ', 'বিকল্প', 'শাশ্বতী' আদি তেওঁৰ উল্লেখযোগ্য কবিতা। মন কৰিবলগীয়া যে বৰগোহাঞিৰ কবিতাত জীৱনৰ ক্লেদ আৰু কদর্যতা, মানুহৰ জান্তৱ ৰূপ, অৱদমিত যৌনাকাংক্ষা আদিয়েই প্রধান বিষয়বস্তু হিচাপে ধৰা দিছে। অৱশ্যে পৰৱর্তী সময়ত তেওঁ কাব্য চর্চাৰ পৰা আঁতৰি আহি কথাশিল্পত অধিক মনোযোগ

দিয়ে। এই কালৰ কবিকুলৰ ভিতৰত উল্লেখযোগ্য আন এগৰাকী কবি হ'ল বীৰেন বৰকটকী। এওঁৰ কবিতাত ৰমন্যাসবাদ, প্রতীকবাদ, প্রগতিবাদ আদি গোটেইকেইটা ধাৰাৰে প্রতিফলন লক্ষ্য কৰা যায়। বৰকটকীৰ *মন্বন্তৰ* (1959) নামৰ কাব্য পুথিখন ৰামধেনু যুগত প্রকাশ পাইছে।

গভীৰ জীৱনবোধ, আঙ্গিকৰ নিজস্ব ৰীতিৰে আধুনিক অসমীয়া কবিসকলৰ মাজত মর্যাদাপূর্ণ স্থান দখল কৰিবলৈ সক্ষম হৰেকৃষ্ণ ডেকাই এই সময়ত ৰচনা কৰে — *স্বত্ত্ববোৰ* (1973), *ৰাতিৰ শোভাযাত্রা* (1982) আৰু *আন এজন* (1986)। প্রসংগক্রমে উল্লেখযোগ্য যে ডেকাই *আন এজন* কাব্য-পুথিৰ বাবে সাহিত্য অকাদেমি বঁটা লাভ কৰিছে। এই সময়ছোৱাত কম সংখ্যক কবিতা লিখিও গুণগত দিশত এক উচ্চতম স্থানত উপৰিষ্ট হোৱা আন এগৰাকী কবি হ'ল হীৰেন্দ্রনাথ দত্ত। সাহিত্য অকাদেমি বঁটা লাভ কৰা এওঁৰ কবিতাৰ ভাষা ব্যঞ্জনাময়; লোককথা, লোকগাঁথা আৰু জতুৱা ঠাঁচৰ সফল প্রয়োগেৰে ল'ৰালিৰ স্মৃতি অংকন কৰি এওঁ আধুনিক কবিতাৰ কৃত্রিমতাৰ বিপক্ষে সুস্পষ্টভাৰে প্রতিৰোধ আগবাঢ়াইছে। তেওঁৰ একমাত্র কাব্যগ্রন্থখন হ'ল *সোমধিৰিৰ সোঁৱৰণি আৰু অন্যান্য কবিতা* (1981)।

অসমীয়া কবিতা প্রসাৰৰ ক্ষেত্রত গভীৰ ভূমিকা গ্রহণ কৰা মহেন্দ্র বৰাইও এই সময়ছোৱাত *ৰূপ টিলিঙাৰ মাত* (1981) প্রকাশ কৰে। মহেন্দ্র বৰাৰ কবিতাত বলিষ্ঠ, উদ্দাম, উচ্ছাস ভাব এটা প্রায়েই অনুভূত হয় আৰু ভাষাৰ জতুৱা প্রয়োগ মন কৰিবলগীয়া। শতিকাটোৰ অষ্টম দশকত ন-ৰূপেৰে মহেশ্বৰ নেওগেও আত্মপ্রকাশ কৰে। এই সময়ছোৱাতে তেওঁৰ *মুছাফিৰখানা* (1974) আৰু *সঞ্চাৰিণী দীপশিখা* (1978) প্রকাশ পায়। নেওগৰ কবিতা সংকলন কেইখনে কবিৰ কাব্যিক সংবেদনশীলতা আৰু নিমজ ভাষাশৈলীৰ নিদর্শন দাঙি ধৰে।

আমাৰ আলোচ্য কালছোৱাত কবি হিচাপে আবির্ভাৰ হোৱা কবিসকলৰ ভিতৰত দিনেশ গোস্বামী, বীৰেণ বৰকটকী, নিত্য দত্ত উল্লেখযোগ্য। দিনেশ গোস্বামীৰ *আলোড়িত অন্ধকাৰ* (1973), বীৰেণ বৰকটকীৰ *চিৰন্তন* (1979), নিত্যা দত্তৰ *পান্থশালা* আদি এই সময়ৰ উল্লেখযোগ্য কাব্যপুথি।

যুগত নতুন কৈ কেইবাগৰাকী কবিয়েও আত্মপ্রকাশ কৰিছিল। তেওঁলোকৰ ভিতৰত উল্লেখযোগ্য কেইগৰাকীমান হ'ল— ৰবীন্দ্র সৰকাৰ, ৰবীন্দ্র বৰা, সমীৰ তাঁতী, সনন্ত তাঁতী, জ্ঞান পূজাৰী, আব্দুল হালিম, অৰনী চক্রৱর্তী, মনজিৎ সিং, সুমিত্রা গোস্বামী, কবীন ফুকন, ৰফিকুল হুছেইন, কৌস্তুভমণি শইকীয়া, ৰাজীৱ বৰুৱা, ৰাজীৱ কুমাৰ ফুকন, বিপুলজ্যোতি শইকীয়া, নীলিম কুমাৰ, অনুভৱ তুলসী, অনুপমা বসুমতাৰী, মীৰা ঠাকুৰ, ইছমাইল হোছেইন, জীৱন নৱহ, পূর্ণ ভট্টাচার্য, অর্চনা পূজাৰী, উদয়কুমাৰ শর্মা, অতনু ভট্টাচার্য, মীৰা ঠাকুৰ, সৌৰভ শইকীয়া, আনিছ উজ জামান, সুমিত্রা গোস্বামী, প্রয়াগ শইকীয়া, লুট্‌ফা হানুম ছেলিমা বেগম আদি। মন কৰিবলগীয়া যে এইচাম কবিয়ে

তেওঁলোকৰ কবিতাত শোষণৰ বিৰুদ্ধে সংগ্রাম আৰু নতুন সমাজ এখনৰ প্রতি আগ্রহ প্রকাশ কৰিছে।

জয়ন্তী কাকতত অমূল্য বৰুৱা প্রভৃতি কবিসকলৰ হাতত আত্মপ্রকাশ কৰা সমাজবাদী ধাৰাটো এই সময়ছোৱাত ৰবীন্দ্র সৰকাৰ, সমীৰ তাঁতী, অৰুনী চক্রৱর্তী, সুভাষ সাহা, ৰবীন্দ্র সৰকাৰ আদিৰ কবিতাত সার্থক পৰিণতি লাভ কৰিছে। বাওঁপন্থী ভাবাদর্শেৰে সমৃদ্ধ এই কবিসকলে তেওঁলোকৰ দৃষ্টি কেৱল ৰুছ আৰু চীন দেশৰ কবিতাতেই সীমাবদ্ধ নাৰাখি স্পেইন আৰু তৃতীয় বিশ্বৰ; বিশেষকৈ লেটিন আমেৰিকাৰ কবিসকলৰ কাব্যদৃষ্টিৰ প্রতিও দৃষ্টি নিক্ষেপ কৰিছে। ৰবীন্দ্র সৰকাৰে প্রচলিত সমাজ ব্যৱস্থাৰ আমূল পৰিৱর্তনৰ কামনা কৰি সমাজৰ ভংগুৰতাৰ স্বৰূপ উদঘাটন আৰু এখন সুস্থ সমাজৰ কল্পিত সম্ভাৱনাৰে ৰচনা কৰিলে *শান্তি, কল্যাণ কবিতা* (1988), *নিজানত ৰাতিৰ শব্দ* (1990), *কালান্তৰৰ কবিতা'* (1982), *সত্তৰৰ পদাতিক* (1980), *তুমি মোক স্পর্শ কৰা* (1987)। প্রতীক আৰু চিত্রকল্পৰ সার্থক প্রয়োগ আৰু কল্পনাৰ বলিষ্ঠতা তেওঁৰ কবিতাৰ প্রধান বৈশিষ্ট্য।

ৰবীন্দ্র বৰাই এখন উঁৰলি যোৱা সমাজ ভাঙি পেলোৱাৰ দুর্বাৰ আকাংক্ষা বলিষ্ঠ ভাষাত প্রকাশ কৰিছে তেওঁৰ *শইচৰ মানুহ* (1990) নামৰ কাব্য সংকলনখনত। সমীৰ তাঁতী আৰু সনন্ত তাঁতীয়ে শ্রমজীৱী মানুহে শোষণ আৰু নিপীড়ণত পিষ্ট হোৱা ছবি অংকন কৰি তাৰ প্রত্যাহ্বান জনাই কবিতা ৰচনা কৰিছে। সেইবাবেই উপেন্দ্রনাথ শর্মাই মন্তব্য কৰিছে যে— জীৱন সংগ্রামত বিধ্বস্ত শ্রমিকৰ জীৱন যাত্রাৰ লগত সম্যক পৰিচয় নথকাৰ বাবে সৱহভাগ তৰুণ কবিৰ প্রতিৰোধধর্মী কবিতা নিস্তেজ আৰু আবেগসর্বস্ব। আনুভূতিক গভীৰতাৰ অভাৱত এনে ধৰণৰ কবিতা যথোপযুক্ত আঙ্গিক পৰিগ্রহ কৰিবলৈ অক্ষম। কিন্তু সমীৰ তাঁতী আৰু সনন্ত তাঁতীৰ কবিতাত এই পৰিণতিৰ ব্যতিক্রম চকুত পৰে। সমীৰ তাঁতীৰ *যুদ্ধভূমিৰ কবিতা* (1985), *শোকাকুল উপত্যাকা* (1990) তাৰেই প্রকৃষ্ট নিদর্শন। একেদৰে সনন্ত তাঁতীয়ে ৰচনা কৰিছে *উজ্জ্বল নক্ষত্রৰ সন্ধানত* (1981) আৰু *মই মানুহৰ অমল উৎসৱ* (1985)। এই ধাৰাটোৰ বলিষ্ঠ কণ্ঠস্বৰ শুনা যায় অৰুনী চক্রৱর্তীৰ কবিতাতো। তেওঁ বচনভঙ্গীৰ ক্ষুৰধাৰ শ্লেষেৰে লিখি উলিয়াইছে *কবিকণ্ঠ* (1986)।

এই সময়ছোৱাত প্রকাশিত জ্ঞান পূজাৰীৰ *দুঃসাহসৰ সময়* (1983) এখন উৎকৃষ্ট কবিতাৰ সংকলন। এওঁৰ ভাষা বলিষ্ঠ, চিত্রকল্প অনুভূতিৰ বাহক। অর্চনা পূজাৰী আৰু উদয় কুমাৰ শর্মাই এই সময়ছোৱাতে নিৰালস্যভাৱে কাব্য সাধনা কৰি আছে। অৱশ্যে তেওঁলোকৰ বেছিসংখ্যক কবিতা বিভিন্ন আলোচনীৰ পাততহে সিঁচৰতি হৈ আছে। মদন শর্মাই এই সময়ছোৱাতে প্রকাশ কৰে *অতবোৰ তৰা ফুল* (1987); অকালতে মৃত্যু বৰণ কৰা মোহন কৃষ্ণ মিশ্রই *সমদল* (1986); বিপুলজ্যোতি শইকীয়াই *মহাকাব্যৰ প্রথম পাত* (1981)। নীলিম কুমাৰে *বাৰী কোঁৱৰ* (1988), *অচিনাৰ অসুখ* (1985);

অনুভৱ তুলসীয়ে *কাব্যপীঠ, নাজমা, দোৱোণ ফুল*; আনিছ উজ জামানে *অজ্ঞাতে* (1989); ৰফিকুল হুছেইনৰ *শৰবিদ্ধ আকাশ*(1984), সুমিত্রা গোস্বামীয়ে *ইপ্সিত সময়*(1989), প্রয়াস শইকীয়াই *বাউসীত দুখন ডেউকা*(1990), *পৃথিৱী প্রেয়সী* (1987); লুট্‌ফা হানুম ছেলিমা বেগমে *অথন্তৰ ঘটিছে*(1985) আদি কাব্যপুথি প্রকাশ কৰে। লোকজীৱন আৰু প্রকৃতিৰ বিনন্দীয়া ৰং-ৰূপে জীৱন নৱহৰ কবিতাক নতুন স্বাদ প্রদান কৰিছে। তেওঁৰ *তুমি পকা ধানৰ দৰে গোন্ধাইছা*(১৯৯৬), *টাৰিৰি*(১৯৯৯) আদিৰ অন্তর্গত কবিতাৰাজিয়ে মাটি আৰু মানুহৰ সৈতে থকা গভীৰ সম্পর্কৰ কথা সোঁৱৰাই দিয়ে। এই সংকলনসমূহে আধুনিক অসমীয়া কবিতাৰ ধাৰাটোক সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিছে।

এই ক্ষেত্রত প্রসংগক্রমে আৰু এটা কথা উল্লেখযোগ্য যে আলোচ্য কালছোৱাত প্রবীণ-নবীন শতাধিক কবিয়ে অসমীয়া কাব্যজগতত ভূমুকি মাৰিছে। তাৰে ভিতৰত বহুতে ইতিমধ্যে প্রতিভাৰ স্বাক্ষৰ দিবলৈও সক্ষম হৈছে। তেওঁলোকৰ ভিতৰত কিছু সংখ্যকৰ নাম হ'ল — কৰবী ডেকা হাজৰিকা, কৌস্তুভমণি শইকীয়া, হেমাঙ্গ কুমাৰ দত্ত, অতনু ভট্টাচার্য্য, সৌৰভ শইকীয়া, কুশল দত্ত, উদয় কুমাৰ শর্মা, অর্চনা শর্মা, অনুপম কুমাৰ, আনিছ উজ জামান, জ্যোতিৰেখা হাজৰিকা , প্রণৱ কুমাৰ বর্মন, কমল কুমাৰ মেধি, নৱজ্যোতি পাঠক, হিমাংশু প্রসাদ দাস, ৰণজিৎ গগৈ, মীৰা ঠাকুৰ, প্রেম গগৈ, অনুপমা বসুমতাৰী, অর্চনা পূজাৰী, উদয় কুমাৰ শর্মা, ইছমাইল হোছেইন, মনজিৎ সিং, অমৃত বসুমতাৰী, চেনীৰাম গগৈ, নীলিমা ঠাকুৰীয়া হক, ৰাজীৱ বৰুৱা, সমীন্দ্র হজুৰি, পৰাগ শইকীয়া, উদয় শঙ্কৰ শইকীয়া, দেৱপ্রসাদ তালুকদাৰ, সাৰিত্রী শইকীয়া, প্রাণজিৎ মহন্ত, নন্দ সিং বৰকলা, হৰেণ গগৈ, হেমাঙ্গ কুমাৰ দত্ত, মৃণাল কুমাৰ গগৈ, বিজয় ৰবি দাস, কুশল দত্ত, প্রাণজিৎ বৰা, বিজয় শঙ্কৰ বর্মন, ভূষণ কলিতা, পঙ্কজ গোবিন্দ মেধি, কমল কুমাৰ মেধি, বিৰিঞ্চি ৰাভা, জুবিলি গগৈ, মিহিৰ মৌচম ৰয়, অংকুৰ ৰঞ্জন চাংমাই, কমল কুমাৰ তাঁতী আদি। তেওঁলোকে অগ্রজ কবিসকলৰ বিষয় আৰু আঙ্গিক গ্রহণ কৰিলেও তাৰ মাজতেই নতুনত্ব সৃষ্টিৰ প্রয়াস কৰিছে। তেওঁলোকৰ মাজৰে দুই এগৰাকী কবিৰ কবিতাত জাতীয় জীৱনৰ সৈতে আত্মিক সম্পর্কৰ স্বৰূপ উপলব্ধি কৰিব পাৰি। এইসকলৰ উপৰি আৰু বহু কবিয়ে আলোচ্য সময়ছোৱাত অসমীয়া কাব্যাকাশ সমৃদ্ধ কৰিবলৈ যত্নপৰ হোৱা দেখা যায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ নীলমণি ফুকনৰ কবিতাক কোন কোন বিদেশী কবিয়ে সমৃদ্ধ কৰিছে।

.....

.....

প্রশ্ন নং ৬ ঃ কবি জীৱন নৱহৰ কবিতা সম্পর্কে এটি টোকা লিখক।

.....

.....

.....



৯.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবর্ষই ব্রিটিছ ঔপনিৱেশিকতাৰ পৰা মুক্তি পোৱাৰ আগৰে পৰাই ভাৰতকে ধৰি সমগ্র বিশ্ব বিভিন্ন ঘটনা-পৰিঘটনাৰে জর্জৰিত। বিশেষকৈ দ্বিতীয় মহাসমৰৰ পাছত সমগ্র বিশ্বতে আৰম্ভ হয় নৈৰাজ্যবোধ আৰু মানুহৰ সামাজিক-নৈতিক অৱক্ষয়। অসমো ইয়াৰ পৰা সাৰি নগ'ল। দ্বিতীয় বিশ্বযুদ্ধই মানুহৰ প্রচলিত সামাজিক দৃষ্টিভংগী তথা মূল্যবোধক কুঠাৰঘাত কৰে। এই সময়তেই ভাৰতবর্ষই লাভ কৰে স্বাধীনতা। ই মানুহৰ মনত নতুন আশাৰ সঞ্চাৰ কৰিছিল যদিও বহু নতুন নতুন সমস্যাৰো সৃষ্টি কৰিলে।
- আলোচ্য সময়ছোৱাৰ ৰাজনৈতিক পৰিৱর্তনে অসমীয়া সমাজ জীৱনক যিমান প্রভাৱিত কৰিছে তাতকৈ বেছি পৰিৱর্তন সাধন হৈছে অসমীয়া মানুহৰ আর্থ-সামাজিক তথা মানসিক জগতখন। তদুপৰি বিভিন্ন সময়ত উন্মোচিত হোৱা সাহিত্যতত্ত্ব, শিল্প সংৰচনাত আহি পৰা নতুন নতুন দৃষ্টিভংগী আদিয়েও অসমীয়া সাহিত্যৰ ৰচনা ৰীতিৰ দিশত গভীৰ প্রভাৱ বিস্তাৰ কৰিছে। অধ্যায়টোত স্বৰাজোত্তৰকালীন অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য হিচাপে আলোচনা কৰোঁতে সেই সময়ছোৱাৰ আর্থ-সামাজিক-ৰাজনৈতিক-বৌদ্ধিক পটভূমি সম্পর্কে বহলাই আলোচনা কৰা হ'ল।
- ১৯৮৩ চনত নতুনকৈ প্রকাশ পোৱা *জয়ন্তী* কাকতে বাট কাটি যোৱা অসমীয়া কবিতা ধাৰাটো স্বৰাজোত্তৰ কালত বিষয়বস্তু, শব্দচয়ন, বাক্য বিন্যাসৰ লগতে প্রতীক, চিত্রকল্প, ছন্দ সজ্জা আদি সকলো দিশতে নতুনত্বৰ পৰশেৰে ৰঞ্জিত হৈ উঠে। এই সময়ৰ কবিতা অধিকতৰভাৱে গদ্যৰ ওচৰ চাপি আহিল। শব্দচয়নত ইংৰাজী, সংস্কৃত, বাংলা, হিন্দী আদি ভাৰতীয় ভাষাৰ প্রভাৱ চৰিল। শব্দ প্রয়োগৰ কৃপণালিৰ বাবেও নতুন কবিকুলৰ কবিতাসমূহ দুর্বোধ্য হৈ পৰিল। এই সময়ছোৱাত কোন কোন কবিয়ে কেনেদৰে অসমীয়া আধুনিক কবিতাক সমৃদ্ধ কৰিছিল সেই বিষয়ে কিছু পৰিমাণে বহলাই আলোচনা দাঙি ধৰা হ'ল। অধ্যায়টো অধ্যয়ন কৰি আপুনি সামগ্রিকভাৱে আলোচ্য সময়ছোৱাৰ অসমীয়া কবিতা সম্পর্কে ধাৰণা লাভ কৰিলে।



৯.৬ অধিক জানিবলৈ

১) কটকী, চন্দ্র (১৯৮৯) ঃ *আধুনিক অসমীয়া কবিতা* (২য় সংস্কৰণ); যোৰহাট ঃ অসম সাহিত্য সভা।

২) গোস্বামী, যতীন্দ্রনাথ (১৯৯৪); *অসমীয়া সাহিত্যৰ চমু বুৰঞ্জী;* গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।

৩) গোস্বামী, হেমচন্দ্র (১৯২৪); *অসমীয়া সাহিত্যৰ চানেকি;* কলিকতা ঃ কলিকতা বিশ্ববিদ্যালয়।

৪) তালুকদাৰ, নন্দ (২০০০৬); *কবি আৰু কবিতা;* গুৱাহাটী ঃ বনলতা।

৫) নেওগ, মহেশ্বৰ (২০০০); *অসমীয়া সাহিত্যৰ ৰূপৰেখা;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৬) নেওগ, মহেশ্বৰ (১৯৮৬) ঃ *আধুনিক অসমীয়া সাহিত্য;* গুৱাহাটী ঃ চন্দ্র প্রকাশ।

৭) বর্মন, শিৱনাথ (সম্পাঃ) (১৯৯৭); *অসমীয়া সাহিত্যৰ বুৰঞ্জী, দ্বিতীয় খণ্ড;* গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা।

৮) বৰগোহাঞি, হোমেন (সম্পাঃ) (২০০২); *বিংশ শতাব্দীৰ অসমীয়া সাহিত্য;* যোৰহাট ঃ অসম সাহিত্য সভা।

৯) বৰগোহাঞি, হোমেন (সম্পা.) (১৯৮৬)ঃ *অসমীয়া সাহিত্যৰ বুৰঞ্জী* (ষষ্ঠ খণ্ড); উত্তৰ গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি পৰিষদ।

১০) বৰদলৈ, নির্মলপ্রভা (১৯৮৯) ঃ *কবিতাৰ কথা* (২য় সংস্কৰণ); গুৱাহাটী ঃ অসম বুক ডিপো।

১১) বৰা, মহেন্দ্র (সম্পা.) (১৯৮৭) ঃ *নতুন কবিতা;* ডিব্রুগড় ঃ বনলতা।

১২) শর্মা, সত্যেন্দ্রনাথ (২০০৬); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত;* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

১৩) শর্মা, হেমন্ত কুমাৰ (২০০৭); *অসমীয়া সাহিত্যত দৃষ্টিপাত;* গুৱাহাটী ঃ বীণা লাইব্রেৰী।



৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ স্বৰাজোত্তৰ কালছোৱাত অসমৰ আর্থ-সামাজিক আৰু ৰাজনৈতিক জীৱনত আৰম্ভ হ'ল সামাজিক মূল্যবোধৰ অৱক্ষয়— মানৱীয় মূল্যবোধৰ অধঃপতন, বস্তুবাদী ভোগবিলাসৰ আদৰণি আদি।

২ নং প্রশ্নৰ উত্তৰ ঃ স্বাধীনতা লাভ কৰাৰ পৰৱর্তী বছৰটোতেই শিক্ষাৰ ক্ষেত্রত কেইবাটাও উল্লেখযোগ্য ঘটনা ঘটে। ১৯৪৮ চনত 'গুৱাহাটী বিশ্ববিদ্যালয়' স্থাপন, পিছত যোৰহাট আৰু গুৱাহাটীৰ খানাপাৰাত ক্রমে 'অসম কৃষি মহাবিদ্যালয়' আৰু 'অসম পশু চিকিৎসা মহাবিদ্যালয়' স্থাপন হয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ স্বৰাজোত্তৰ কালছোৱাত আধুনিক অসমীয়া কবিতাৰ দুটা বৈশিষ্ট্য হ'ল— জৈৱ দেহজ কামনা আৰু প্রেমৰ ৰক্তমাংসস্থূল শৰীৰ সর্বস্ব ৰূপৰ প্রত্যক্ষীকৰণ আৰু নগৰকেন্দ্রিক যান্ত্রিক সভ্যতাৰ অভিঘাট।

৪ নং প্রশ্নৰ উত্তৰ ঃ কবি নৱকান্ত বৰুৱাৰ কবিতাৰ দুটা বৈশিষ্ট্য হ'ল — তেওঁৰ কবিতাত আধুনিক যান্ত্রিক তথা নাগৰিক সভ্যতাই সৃষ্টি কৰা সংকট, দ্বিধা, সংকোচ আৰু তাৰ প্রতি ঘৃণা, প্রাচীন ঐতিহ্যৰ প্রতি সচেতন দৃষ্টিভঙ্গী, মানৱতাবাদৰ মাজেদি এখন সুস্থ সমাজ গঢ়ি তোলাৰ আগ্রহ প্রকাশ পাইছে। ঠিক সেইদৰে বিষয়ৰ উপযোগী ছন্দৰ প্রয়োগ, প্রকাশভঙ্গীৰ সংযম আৰু সৰলতা, গভীৰ ইতিহাস চেতনা এওঁৰ কবিতাৰ প্রধান বৈশিষ্ট্য।

৫ নং প্রশ্নৰ উত্তৰ ঃ প্রতীক আৰু চিত্রকল্প নির্মাণত সিদ্ধহস্ত নীলমণি ফুকনৰ কবিতালানিক জাপানী 'হাইকু আৰু টংক', স্পেনীজ কবি ফেডাৰিকা গার্থিয়া লর্কা আৰু ফৰাচী প্রতীকবাদী আন্দোলনে সমৃদ্ধ কৰিছে।

৬ নং প্রশ্নৰ উত্তৰ ঃ লোকজীৱন আৰু প্রকৃতিৰ বিনন্দীয়া ৰং-ৰূপে জীৱন নৱহৰ কবিতাক নতুন স্বাদ প্রদান কৰিছে। তেওঁৰ *তুমি পকা ধানৰ দৰে গোন্ধাইছা* (১৯৯৬), *টাৰিৰি* (১৯৯৯) আদিৰ অন্তর্গত কবিতাৰাজিয়ে মাটি আৰু মানুহৰ সৈতে থকা গভীৰ সম্পর্কৰ কথা সোঁৱৰাই দিয়ে। এই সংকলনসমূহে আধুনিক অসমীয়া কবিতাৰ ধাৰাটোক সমৃদ্ধিশালী কৰি তোলাত সহায় কৰিছে।



৯.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ ঃ অসমৰ বিশ্ববিদ্যালয় দুখনত অসমীয়া মাধ্যম চলোৱাৰ দাবী কেতিয়া উঠিছিল?

প্রশ্ন ২ ঃ *হে অৰণ্য, হে মহানগৰ* কাৰ ৰচনা?

(খ) চুটি প্রশ্ন (১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ নীলমণি ফুকনৰ কবিতা সম্পর্কে এটি টোকা লিখক।

প্রশ্ন 2 ঃ চমুটোকা লিখক —

(ক) কবি নির্মলপ্রভা ৰৰদলৈ খ) অসমীয়া প্রগতিবাদী কবিতাৰ ধাৰা

(গ) ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ২ ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া কবিতা সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ৩ ঃ স্বাধীনতাৰ পৰৱৰ্তীকালৰ আধুনিক অসমীয়া কবিতাৰ বিষয়বস্তু সম্পর্কে এটি প্রবন্ধ যুগুত কৰক।

*** ***** ***